# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-09-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মঙলদৈত প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া দৰং চিকিৎসা মহাবিদ্যালয়, এখন জি. এন. এম. স্কুল আৰু এখন নাৰ্চিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে ভাৰ্চুৱেল ব্যৱস্থাৰে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰিবলগীয়া নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে। এই উদ্দেশ্যে মঙলদৈত আয়োজিত এখন জনসভাত বিৰোধী পক্ষ বিশেষকৈ কংগ্ৰেছৰ বিৰুদ্ধে প্ৰধানমন্ত্ৰী সৰৱ হৈ উঠে। ভাষণৰ আৰম্ভণিতে শ্ৰীমোদীয়ে কয়, যে মা কামাখ্যাৰ আশীৰ্বাদত অপাৰেছন সিন্দূৰ সফল হল। অপাৰেছনৰ সিন্দূৰৰ পিছত এয়া তেওঁৰ প্ৰথম অসম ভ্ৰমণ বুলি উল্লেখ কৰি তেওঁ ৰাজ্যজুৰি আজি উদযাপন হবলগীয়া ভগৱান শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ উপলক্ষে সকলোকে শুভেচ্ছা জনায়। সুধাকণ্ঠ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষত তেওঁ কংগ্ৰেছক সমালোচনা কৰি কয় যে সুধাকণ্ঠক ভাৰতৰত্ন দিয়াত কংগ্ৰেছে ঘোৰ বিৰোধিতা কৰিছিল। তেওঁ অসমৰ সাংস্কৃতিক বৈচিত্ৰৰ সন্মান আৰু সংৰক্ষণৰ লগতে ৰাজ্যখনৰ দ্ৰুত বিকাশ চৰকাৰৰ অগ্ৰাধিকাৰৰ বিষয় বুলি উল্লেখ কৰে।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰীগৰাকী গোলাঘাট জিলাৰ নুমলীগড় লৈ যাব আৰু নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে শোধনাগাৰটোৰ নতুন পলিপ্ৰপিলিন গোটটোৰো আধাৰশিলা স্থাপন কৰিব। ইয়াৰ জৰিয়তে নিয়োগৰ সুবিধা বৃদ্ধি হ'ব আৰু ৰাজ্যখনত সামগ্ৰিকভাৱে আৰ্থসামাজিক বিকাশ সম্ভৱ হ'ব বুলি আশা কৰা হৈছে। ইয়াৰ পূৰ্বে কালি দুদিনীয়া কাৰ্যসূচীৰে ৰাজ্যখনলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে।

এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰীয়ে ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা ড° ভূপেন হাজৰিকা স্মাৰক ১০০ টকীয়া মুদ্ৰা মুকলি কৰে। তেওঁ লগতে ২১টা ভাষালৈ অনুদিত ড° ভূপেন হাজৰিকাৰ জীৱনী গ্ৰন্থখনো উন্মোচন কৰে।

00000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰধানমন্ত্ৰীৰ ভ্ৰমণ সন্দৰ্ভত আকাশবাণীৰ সংবাদদাতা সকলৰ প্ৰতিবেদনৰ ভিত্তিত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব।

কালি নিশা প্ৰধানমন্ত্ৰীৰ অসম, মণিপুৰ আৰু মিজোৰাম ভ্ৰমণ সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰে। এই অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক মনীষ গোস্বামী, এমট্ৰনৰ পৰামৰ্শদাতা বসন্ত বৰঠাকুৰ, পথ অভিযান্ত্ৰিক বিষয়ৰ পৰামৰ্শদাতা ত্ৰিদীপ চাংমাই আৰু আকাশবাণীৰ ইম্ফলৰ সংবাদদাতাই অংশগ্ৰহণ কৰে।

অনুষ্ঠানটোৰ প্ৰযোজনা আছিল আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

চাহ উদ্যোগৰ সকলো অংশীদাৰৰে এটা সামগ্ৰিক আৰু সৰ্বাংগীন দৃষ্টিভংগীৰ প্ৰয়োজন আছে, যাতে চাহ উদ্যোগে সন্মুখীন হৈ অহা প্ৰত্যাহ্বানসমূহৰ মুখামুখি হৈ অনাগত দিনসমূহৰ বাবে অসমৰ চাহ উদ্যোগ আগবাঢ়িব পাৰে। কালি ডিব্ৰুগড় প্ৰেছ ক্লাবৰ **আমাৰ আলহী** অনুষ্ঠানত উপস্থিত থাকি অভিজ্ঞ চাহ খেতিয়ক উদ্ধৱ চন্দ্ৰ শৰ্মাই **সংকট আৰু প্ৰত্যাৱৰ্তন- ভাৰতৰ চাহ উদ্যোগৰ ভৱিষ্যৎ** শীৰ্ষক বক্তৃতাত এই মন্তব্য কৰে। ডিব্ৰুগড় প্ৰেছ ক্লাবৰ উদ্যোগত কালি জিলাখনৰ ডি আৰ ডি জাগৃতি প্ৰেক্ষাগৃহত অনুষ্ঠিত আমাৰ আলহী শীৰ্ষক অনুষ্ঠানত দেশৰ শীৰ্ষ চাহ উৎপাদনকাৰী কোম্পানী ৱাৰেন টি লিমিটেডৰ কাৰ্যবাহী সঞ্চালক হিচাপে অৱসৰ লোৱা উদ্ধৱ চন্দ্ৰ শৰ্মা অতিথি হিচাপে আমন্ত্ৰিত হৈছিল। শ্ৰী শৰ্মাই অসমৰ ২০০ বছৰীয়া চাহ উদ্যোগে বাগিচাৰ পৰা নীলামলৈ আৰু উৎপাদনৰ পৰা বিপণনলৈকে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা অসম চাহ মজদুৰ সংঘৰ সভাপতি পৱন সিং ঘাটোৱাৰে অসমৰ চাহ উদ্যোগটোক শক্তিশালীৰূপত গঢ়ি তুলিবলৈ চৰকাৰৰ যথেষ্ট কৰণীয় আছে বুলি উল্লেখ কৰে। অনুষ্ঠানত উপস্থিত থকা চাহ বিশেষজ্ঞ অমিতাভ ফুকনেও চাহ উদ্যোগৰ বিভিন্ন সমস্যা সন্দৰ্ভত আলোকপাত কৰে। এই অনুষ্ঠানত অসম ৰাজ্যিক ভাৰতীয় চাহ মজদুৰ সংঘৰ সভাপতি অশোক ওৰাং, ক্ষুদ্ৰ চাহ খেতিয়ক, আশা, এ টি টি এছ এৰ প্ৰতিনিধি, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চাহ প্ৰযুক্তি বিভাগৰ ছাত্ৰ-ছাত্ৰী, গণমাধ্যম আৰু বিভিন্ন ক্ষেত্ৰৰ ভালে সংখ্যক লোক উপস্থিত থাকে।

০০০০

ডিব্ৰুগড় জিলাৰ খোৱাং বিধানসভা সমষ্টি তথা বৰবৰুৱা উন্নয়ন খণ্ডৰ অধীনৰ কোটোহাৰ কৃষি ভূমিত চৰহা পোকৰ আক্ৰমণে শস্যৰ অনিষ্ট কৰিছে। এই সংক্ৰান্তত কৃষকসকলে জিলা কৃষি বিভাগৰ লগত যোগাযোগ কৰিলেও যথোচিত সঁহাৰি লাভ নকৰাৰ অভিযোগ উত্থাপিত হৈছে। এই ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি কৃষকসকলক সকাহ দিবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক ৰাইজে আহ্বান জনাইছে।

০০০০

আন্তঃৰাষ্ট্ৰীয় চিত্ৰশিল্পী পৰেশ ভূঞাই কালি উত্তৰ লখিমপুৰ প্ৰেছ ক্লাবত নিয়মীয়া মাহটোৰ অতিথি অনুষ্ঠানত অংশগ্ৰহণ কৰি অন্তৰংগ আলাপত মিলিত হয়। বিশ্বৰ বিভিন্ন দেশত তেওঁৰ চিত্ৰ প্ৰদৰ্শন কৰাৰ অনুভৱ আৰু অভিজ্ঞতাৰ বিষয়ে এই অনুষ্ঠানত শিল্পীগৰাকীয়ে সবিস্তাৰে বৰ্ণনা কৰে। উত্তৰ লখিমপুৰ প্ৰেছ ক্লাবৰ সম্পাদক কৰুণা কৃষ্ণ নাথে আঁত ধৰা অনুষ্ঠানত চিত্ৰশিল্পী পৰেশ ভূঞাই পঢ়া-শুনাতকৈ ছবি আঁকা আৰু মূৰ্তি সজা কামত অধিক ৰাপ থকা বুলি জনায়। লখিমপুৰৰ স্বাস্থ্য বিভাগৰ পৰা যোৱা বছৰ অৱসৰ গ্ৰহণ কৰা চিত্ৰশিল্পীগৰাকীয়ে জাপান, ৰাছিয়া, চীন, ইজিপ্ত, বাংলাদেশ, ভিয়েটনাম, উজবেকিস্তান আদি প্ৰায় ৯খন দেশত চিত্ৰ অংকন আৰু প্ৰদৰ্শন কৰি বিপুল সমাদৰ লাভ কৰিছিল।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ

....................................